গৌহাটী উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু আৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

গোচৰ নংঃ ৰাজহুৱা স্বাৰ্থজড়িত আবেদন (নিজাববীয়া)/৩/২১

XXXX

গুৱাহাটী, অসম

বনাম

মহাধিবক্তা, অসম আৰু অন্যান্য, অসম চৰকাৰ, গুৱাহাটী

গৌহাটী উচ্চ ন্যায়ালয় অধিবক্তা সংস্থাৰ সভাপতিৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে

গৌহাটী উচ্চ ন্যায়ালয়

গুৱাহাটী

আবেদনকাৰীৰ হৈ অধিবক্তাঃ এছ চি

প্ৰতিবাদীৰ হৈ অধিবক্তাঃ মহাধিবক্তা, অসম

**বিচাৰপীঠত উপস্থিত আছে**

**माननीय मুখ্য ন্যায়াধীশ সুধাংশু ধুলিয়া**

**মাননীয় ন্যায়াধীশ শ্ৰীযুত এন কোটিশ্বৰ সিং**

**মাননীয় ন্যায়াধীশ শ্ৰীযুত মানস ৰঞ্জন পাঠক**

২৩-০৭-২০২১

*( সুধাংশু ধুলিয়া, মুখ্য ন্যায়াধীশ)*

বিষয়টো 'ভিডিঅ কনফাৰেন্সিঙ'ৰ জৰিয়তে গ্ৰহণ কৰা হৈছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ পৰামৰ্শদাতা শ্ৰী যুত ইউ. কে. নায়াৰৰ ভাষ্য শুনা হ'ল।লগতে শ্ৰীযুত আৰ. কে. ডি. চৌধুৰী, ভাৰতৰ সহকাৰী মহান্যায়বাদী; শ্ৰীযুত ডি. শইকীয়া, মহাধিবক্তা, অসম; শ্ৰীযুত এন. দত্ত, মহাধিবক্তা, অৰুণাচল প্ৰদেশ; শ্ৰীযুত ডি. দাস, মহাধিবক্তা, মিজোৰাম; শ্ৰীযুত কে. ছেমা, অতিৰিক্ত মহাধিবক্তা, নাগালেণ্ডৰ ভাষ্যও শুনা হ'ল।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা সংস্থাক প্ৰতিনিধিত্ব কৰা পৰামৰ্শদাতা জে পায়েঙৰ ভাষ্যও শুনা হ'ল।

আজি বাৰত আমাক জনোৱামতে কোহিমা আৰু আইজলৰ সংশ্লিষ্ট বিচাৰপীঠে বৰ্তমান চলি থকা কোভিড-১৯ মহামাৰীৰ দ্বিতীয় ঢৌৰ বৰ্তমানৰ পৰিস্থিতিত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা ইতিমধ্যে হাতত লৈছে আৰু এই বিষয়বোৰ এতিয়া বিচাৰাধীন গতিকে নাগালেণ্ড আৰু মিজোৰামৰ সৈতে সম্পৰ্কিত বিষয়বোৰ এতিয়া বিবেচনা কৰা নহ'ব। একে সময়তে, যিহেতু অৰুণাচল প্ৰদেশৰ স্থায়ী পীঠত এনে কোনো বিষয় বিচাৰাধীন হৈ থকা নাই, সেয়েহে আমি অৰুণাচল প্ৰদেশৰ সৈতে সম্পৰ্কিত ক্ষেত্ৰৰ ওপৰত বিবেচনা অব্যাহত ৰাখিম।

অৰুণাচল প্ৰদেশৰ মহাধিবক্তা শ্ৰী এন দত্তয়ো ৰাজ্যখনত ক'ভিড-১৯-ৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে এই আদালতক অৱগত কৰিছে। প্ৰতিখন জিলাৰ পৰিস্থিতিৰ সম্পৰ্কেও পৃথককৈ বিৱৰণ দিয়া হৈছে। আমাৰ ১০-০৫-২০২১ তাৰিখৰ আদেশ যিমানদূৰ সম্ভৱ কোহিমা, আইজল আৰু ইটানগৰৰ পীঠসমূহৰ ক্ষেত্ৰত অব্যাহত থাকিব। অসমৰ সকলো জিলা আদালতৰ ক্ষেত্ৰতো এই আদেশ কাৰ্যকৰী হৈ থাকিব।

একে সময়তে, যিহেতু গৌহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য পীঠৰ সকলো বিচাৰপীঠে দৈনন্দিন ভিত্তিত ভাৰ্চুৱেলি সকলো বিষয় হাতত লৈছে, বৰ্তমান গুৱাহাটী উচ্চ ন্যায়ালয়ত প্ৰৱেশাধিকাৰ সন্দৰ্ভত কোনো পক্ষৰ পৰা কোনো অভিযোগ অহা নাই, আমাৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ গোচৰৰ সৈতে সম্পৰ্কিত ১০-০৫-২০২১ তাৰিখৰ আদেশটো (কোহিমা, আইজল, ইটানগৰৰ পীঠৰ অধিকাৰক্ষেত্ৰৰ বাহিৰে), এই ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ আদেশ সাপেক্ষে ২৩-০৮-২০২১-তাৰিখৰ পৰা বাতিল হৈ পৰিব। সেয়েহে, ১০-০৫-২০২১ তাৰিখৰ আদেশটো বাতিল কৰাৰ সময়ত আমি সম্প্ৰসাৰণ বা সালসলনি কৰি অন্তৰ্বৰ্তীকালীন আবেদন (সমূহ) দাখিল কৰিবলৈ পক্ষসমূহক বা গোচৰৰ সৈতে সম্পৰ্কিত ব্যক্তিক পৰ্যাপ্ত সময় দিছো আৰু সেইবোৰ তাৰ পিছত সংশ্লিষ্ট আদালতৰ দ্বাৰা গোচৰ গুৰুত্ব অনুসৰি বিচাৰ কৰা হ'ব।

৯ আগষ্ট, ২০২১ তাৰিখে তালিকাভুক্ত কৰা হওক।

**বিচাৰক** **বিচাৰক** **মুখ্য ন্যায়াধীশ**

*Translated by :* *Ditimoni Gogoi*

*Special Officer*